জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬/২০২১

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ক'ভিড চিকিৎসা ব্যৱস্থাপনাৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৭ জুনৰ ভিতৰত ৰাজ্যখনৰ ক'ভিড পৰিস্থিতিতি অধিক উন্নত হ'ব বুলি মুখ্যমন্ত্ৰীৰ আশা প্ৰকাশ

**দিছপুৰ, ৩০ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ক'ভিড-১৯ৰ চিকিৎসা ব্যৱস্থাৰ আন্তঃগাঁথনি তথা ইয়াৰ লগত জড়িত আনুসংগিক বিষয়সমূহৰ বুজ লয়। ইয়াৰ পিছতে চিকিৎসা মহাবিদ্যালয় চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি তেখেতে সৰুসজাই ক্ৰীড়া প্ৰকল্প চৌহদত ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ দ্বাৰা নিৰ্মাণ কৰি থকা ৩০০ খন বিচনাযুক্ত হাস্পতাল আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২০০খন আই চি ইউ বিচনাযুক্ত ইউনিটৰ বাবে প্ৰয়োজনীয় চিকিৎসকৰ বিষয়টো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি অন্যান্য জ্যেষ্ঠ চিকিৎসকৰ সৈতে আলোচনা কৰিছে। গুৱাহাটীৰ এই অতিৰিক্ত ৫০০ খন আইচিইউ বিচনাই ক'ভিড-১৯ৰ চিকিৎসা ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰি তুলিব। এই ব্যৱস্থাপনাত চিকিৎসক নিয়োজিত কৰাৰ বিষয়টোৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে যাতে মানসম্পন্ন চিকিৎসা সেৱা নিশ্চিত কৰিব পৰা যায়।

জুন মাহত অসমে ৭ লাখ ক'ভিড ভেকচিনৰ পালি লাভ কৰিব বুলি উল্লেখ কৰি এই পালি লাভ কৰাৰ পিছত ১৮ ৰ পৰা ৪৪ বছৰ বয়সৰ লোকৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ত্বৰান্বিত হ'ব। তেওঁ লগতে কয় যে ১৫ আগষ্টৰ ভিতৰত ৰাজ্যখনৰ এক বৃহৎ সংখ্যক লোকক প্ৰতিষেধক প্ৰদান কৰাৰ বাবে সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে আশা প্ৰকাশ কৰে যে ৭ জুনৰ ভিতৰত ৰাজ্যখনৰ ক'ভিড সংক্ৰমণ তথা ক'ভিডৰ ফলশ্ৰুতিত মৃত্যু হোৱা ৰোগীৰ সংখ্যা দ্ৰুতভাৱে হ্ৰাস পাব। ৰাজ্য চৰকাৰে এই অতিমাৰী নিয়ন্ত্ৰণ কৰাৰ দিশত প্ৰয়োজনীয় সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ দ্বাৰা উদ্ভাৱন কৰা ২-ডি জি এন্টি ক'ভিড ঔষধ ১৩ গৰাকী ৰোগীলৈ আগবঢ়োৱাৰ বাবে পদক্ষেপ লোৱা হৈছে। ৰোগীসকলে হাস্পতালৰ পৰা যাতে সোনকালে ৰোগমুক্ত হৈ যাব পাৰে তাৰ বাবে আন কিছু সংখ্যক অতি উচ্চমানৰ ঔষধ ব্যৱহাৰৰ বাবে যো-জা চলাই থকা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

প্ৰতিষেধক প্ৰদান কাৰ্যসূচীক এক জন আন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সহাঁৰি জনাই অসমৰ ৰাইজে মুক্ত হস্তে আৰু স্বতস্ফূৰ্তভাৱে প্ৰদান কৰা দান-বৰঙণিৰ বাবে ৰাজ্যখনৰ জনসাধাৰণক তেওঁ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমানে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত ক'ভিডত আক্ৰান্ত চিকিৎসাধীন হৈ থকা ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰা আৰু বিধায়ক প্ৰদীপ হাজৰিকাৰ স্বাস্থ্যৰ বিষয়ে চিকিৎসকৰ পৰা বুজ লয়।

আজিৰ এই পৰিদৰ্শন সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ আৰু মুখ্য অধীক্ষক ডাঃ অচ্যুত বৈশ্য, চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক অভিজিৎ শৰ্মাৰ লগতে অন্যান্য জ্যেষ্ঠ চিকিৎসকসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**৩০/০৫/২০২১**